## পাঠ-৪
# প্ৰাকৃতিক সম্পদ

জীয়াই থাকিবৰ বাবে আমি বিভিন্ন ধৰণৰ সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰোঁ। যেনে — খেতি কৰিবলৈ মাটি, ঘৰ সাজিবলৈ বাঁহ-বেত, কাঠ, খেৰ, শিল-বালি, উশাহ-নিশাহৰ বাবে বায়ু, পিয়াহ পলুৱাবলৈ পানী, জুই জ্বলাবলৈ খৰি, কয়লা আদি। এই আটাইবোৰ বস্তুৱেই প্ৰকৃতিত পোৱা যায়। প্ৰকৃতিত পোৱা সকলোবোৰ সামগ্ৰী সম্পদ নহয়। প্ৰকৃতিৰ পৰা আহৰণ কৰা সামগ্ৰীসমূহক যেতিয়া মানুহৰ বিভিন্ন কামত ব্যৱহাৰৰ উপযোগী কৰি লোৱা হয় তেতিয়াহে তাক **প্ৰাকৃতিক সম্পদ** বুলি কোৱা হয়। প্ৰাকৃতিক সম্পদ বুলিলে ভূ-পৃষ্ঠৰ উপৰিভাগৰ আৰু ভূ-গৰ্ভৰ তলত সঞ্চিত হৈ থকা সম্পদসমূহক বুজায়।

কিছুমান প্ৰাকৃতিক সম্পদ যেনে— বায়ু, মাটি, উদ্ভিদ, সৌৰ শক্তি আদি বিভিন্ন কামত বাৰে বাৰে ব্যৱহাৰ কৰি থাকিলেও শেষ নহয়। কাৰণ প্ৰাকৃতিকভাৱে গছ-গছনি গজি থকাৰ উপৰি মানুহেও সময়ে সময়ে গছ-গছনি ৰোপণ কৰি থাকে। সূৰ্যৰ পৰাও অহৰহভাৱে শক্তি আহৰণ কৰিব পৰা যায়। মাটি, বায়ু আদি এবাৰ ব্যৱহাৰ কৰাৰ পিছতো পুনৰ ব্যৱহাৰৰ সুবিধা থাকে। এনে ধৰণৰ প্ৰাকৃতিক সম্পদবোৰেই হৈছে **নবীকৰণক্ষম সম্পদ**।

আনহাতে কিছুমান প্ৰাকৃতিক সম্পদ এবাৰ আহৰণ কৰি ব্যৱহাৰ কৰাৰ পিছত এই সম্পদ পুনৰ সৃষ্টি হ'বলৈ বহুত সময় লাগে। যেনে — খনিজ পদাৰ্থ, কয়লা, খাৰুৱা তেল ইত্যাদি। ভূগৰ্ভত মজুত থকা এইবোৰ প্ৰাকৃতিক সম্পদ সৃষ্টি হ'বলৈ বহু নিযুত বছৰ লাগে। এইবোৰেই হৈছে **অনবীকৰণক্ষম সম্পদ**। অধিক ব্যৱহাৰৰ ফলত এই সম্পদসমূহ শেষ হৈ যাব পাৰে। অনবীকৰণক্ষম হোৱাৰ বাবে এইবোৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়ী হোৱাতো দৰকাৰ।

**দলত আলোচনা কৰি লিখা—**

➢ "প্ৰাকৃতিকভাৱে পোৱা সকলো সামগ্ৰী সম্পদ নহয়"। কিয়?

আমাৰ ৰাজ্যত পোৱা প্ৰাকৃতিক সম্পদসমূহৰ ভিতৰত বনজ সম্পদ, জলজ সম্পদ, কৃষিজাত সম্পদ আৰু খনিজ সম্পদেই প্ৰধান।

**বনজ সম্পদ ঃ**



অসম ৰাজ্যখন বনাঞ্চলেৰে ভৰপূৰ। এই বনাঞ্চলসমূহত বহুতো মূল্যৱান উদ্ভিদ পোৱা যায়। অসমৰ নামনি অঞ্চলত শাল, চেগুন, গমাৰী, শিশু, আজাৰ আদি মূল্যৱান কাঠ পোৱা যায়। অসমৰ পাহাৰীয়া অঞ্চল আৰু বৰাক উপত্যকাত হোলোং, বনচুম, তিতাচঁপা আদি গছ পোৱাৰ উপৰি উত্তৰ কাছাৰ পাহাৰত বিভিন্ন প্ৰজাতিৰ বাঁহ পোৱা যায়। অসমৰ নৈ-উপনৈসমূহৰ দুয়োপাৰে খয়েৰ, শিশু, শিমলু, কদম, কৰৈ আদিৰ লগতে নলখাগৰি, খেৰ আদি উদ্ভিদো পোৱা যায়।










অসমৰ হাবি বহুসংখ্যক চৰাইৰ বাসভূমি। যেনে- ভাটৌ, মইনা, শগুণ, ফেঁচা, ময়ুৰ, দেওহাঁহ, ধনেশ ইত্যাদি। অসমৰ এটা খড়্গৰ গঁড় পৃথিৱী বিখ্যাত। অসমৰ হাবিত পোৱা হাতী, ঢেঁকীয়াপতীয়া বাঘ, নাহৰফুটুকী বাঘ, হৰিণা, বন গাহৰি, বনৰীয়া গৰু, ভালুক, বনৰীয়া ম'হ, শিয়াল, হলৌ বান্দৰ, সোণালী বান্দৰ, হ'লক গিবন আদি আপুৰুগীয়া প্ৰাণী। প্ৰাণীসমূহ চাবলৈ দেশ-বিদেশৰ পৰা বহুতো পৰ্যটক আহে।





অসমৰ শাল, চেগুন, তিতাচঁপা, শিশু, কৰৈ আদি উদ্ভিদৰ কাঠ বৰ মূল্যবান। এই কাঠ আৰু বাঁহ-বেতেৰে মানুহে বিভিন্ন ধৰণৰ আচবাব আৰু দৈনন্দিন জীৱনত ব্যৱহৃত বিভিন্ন সা-সৰঞ্জাম তৈয়াৰ কৰি লয়। অসমৰ হাবিত বহুতো ঔষধি গুণযুক্ত উদ্ভিদ পোৱা যায়। অসমৰ হাবিৰ পৰা খৰি, ফল-মূল, ৰবৰ, ঔষধি গুণযুক্ত উদ্ভিদ, খেৰ আদি সংগ্ৰহ কৰি কিছুমান মানুহে জীৱিকা নিৰ্বাহ কৰে। ব্যৱসায়িক ভিত্তিত অসমত উৎপন্ন হোৱা শাল, চেগুন কাঠ আৰু ঔষধি গুণযুক্ত উদ্ভিদ দেশৰ বাহিৰলৈ পঠিওৱা হয়। এই বনজসম্পদসমূহৰ ওপৰত ভিত্তি কৰি অসমত জুইশলা, প্লাইউড, কাগজ আৰু ৰেচম আদি উদ্যোগ গঢ়ি উঠিছে।

➢ ওপৰত উল্লেখ কৰা বনজ সম্পদসমূহৰ ওপৰত ভিত্তি কৰি তলৰ তালিকাখন সম্পূৰ্ণ কৰা —


| বনজ উদ্ভিদৰ নাম | হাবিত থকা চৰাইৰ নাম | বন্যপ্ৰাণীৰ নাম |
|---|---|---|
| | | |

**ক্ষেত্ৰ অধ্যয়ন**


বিদ্যালয়ৰ আশে-পাশে থকা ঔষধি গুণযুক্ত উদ্ভিদৰ নাম আৰু সেইবোৰৰ ব্যৱহাৰৰ বিষয়ে বহীত লিখা। (শিক্ষকে সহায় কৰিব)

জলজ সম্পদ ঃ

ব্ৰহ্মপুত্ৰ আৰু বৰাক অসমৰ দুখন প্ৰধান নৈ। এই নৈ দুখনৰ বহুতো উপনৈ আছে। এই নৈ-উপনৈবোৰত জাহাজঘাট, ফেৰীঘাট আদি গঢ়ি উঠিছে। এখন ঠাইৰ পৰা আন এখন ঠাইলৈ অহা-যোৱা কৰিবলৈ আৰু বস্তু-বাহানি কঢ়িয়াবলৈ মানুহে জল পৰিবহণ ব্যৱস্থাৰ সুযোগ গ্ৰহণ কৰিছে। ব্ৰহ্মপুত্ৰ নৈত পোৱা **শিহু** হ'ল পৃথিৱীৰ এবিধ বিৰল প্ৰজাতিৰ প্ৰাণী।


শিহু

**মানচিত্ৰখন চাই তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখা—**



অসমৰ প্ৰধান নৈ-উপনৈ

- ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰ দিশে থকা উপনৈ কেইখনৰ নাম কি কি?
- ব্ৰহ্মপুত্ৰ নৈৰ দক্ষিণ দিশে থকা উপনৈকেইখনৰ নাম কি কি?
- বৰাক নৈৰ উপনৈ কেইখনৰ নাম কি কি?

নদীৰ সুবিধাজনক স্থানত বান্ধ দি জলবিদ্যুৎ উৎপন্ন কৰা হয়। নৈ-উপনৈসমূহৰ বালিৰে ঘৰ-দুৱাৰ, ৰাস্তা আদি নিৰ্মাণ কৰা হয়। নদীৰ দাঁতিকাষৰীয়া অঞ্চল পলস পৰি সাৰুৱা হয় বাবে খেতি কৰাৰ বাবে উপযোগী। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ কিছু উপনৈৰ পানী পাইপ লাইনৰ সহায়ত জনসাধাৰণক যোগান



ধৰা হয়। ভূ-পৃষ্ঠৰ পানীভাগৰ দৰে ভূ-গৰ্ভৰ পানীভাগো আমাৰ সম্পদ। ঘৰুৱা কাম-কাজ, খেতিপথাৰ, উদ্যোগ আদিত ব্যৱহাৰ কৰিবলৈ আৱশ্যক হোৱা কিছু পানী ভূ-গৰ্ভৰ পৰা আহৰণ কৰা হয়।

নৈ-উপনৈসমূহৰ উপৰি আমাৰ ৰাজ্যখন অসংখ্য খাল-বিল, পুখুৰী আদি জলাশয়েৰে ভৰা। দীপৰ বিল, চান্দডুবি বিল, চামগুৰি বিল আদি অসমৰ কেইটামান উল্লেখযোগ্য জলাশয়ৰ উদাহৰণ। বনৰীয়া প্ৰাণী, চৰাই-চিৰিকটি আদিয়ে এই জলাশয়বোৰৰ পানী খাই পিয়াহ পলুৱায়।


চান্দডুবি বিল

নৈ-উপনৈ আৰু খাল-বিল আদি জলাশয়বোৰে মাছৰ চাহিদা কিছু পুৰণ কৰে। কিছুমান লোকে মীনপালন কৰিও জীৱিকা নিৰ্বাহ কৰে। নৈ-উপনৈসমূহৰ কাষৰীয়া অঞ্চলত সৃষ্টি হোৱা ঘাঁহনিয়ে ওচৰ-পাজৰৰ হেজাৰ-বিজাৰ গৰু-ম'হক খাদ্যৰ যোগান ধৰে। নৈ-উপনৈৰ চৰ-চাপৰি অঞ্চলবোৰত প্ৰচুৰ পৰিমাণে বিভিন্ন ধৰণৰ শাক-পাচলিৰ খেতি হয়। সাধাৰণতে নগৰ-চহৰৰ ব্যস্ত জীৱনৰ পৰা আঁতৰি মানুহে কেতিয়াবা প্ৰকৃতিৰ সান্নিধ্যত কটাবলৈ ভাল পায়। সেইবাবে জলাশয়সমূহৰ ওচৰে-পাজৰে শীতকালত মানুহে বনভোজ খাবলৈ যায়।

কৃষিজাত সম্পদ ঃ





মাটিৰ গুণাগুণ আৰু বৰষুণৰ ওপৰত নিৰ্ভৰ কৰি অসমত ভিন ভিন খেতি কৰা হয়। গ্ৰীষ্মকালত অসমত যথেষ্ট বৰষুণ হয়। এইসময়ত ধান, মৰাপাট, লাউ, জিকা, ভোল, কোমোৰা আদিৰ খেতি কৰা হয়। আনহাতে শীতকালত বৰষুণ কম হোৱা বাবে ঘেঁহু, গোমধান, সৰিয়হ, আলু, ফুলকবি, বন্ধাকবি, গাজৰ, নেমু, বীন আদিৰ খেতি কৰা হয়। অসমত মাটিকঁঠাল, কুঁহিয়াৰ, মধুৰিআম, লিচু, কল, কমলা আদি ফল-মূলৰ উপৰি মাহজাতীয় শস্য, বিভিন্ন প্ৰকাৰৰ শাক, তামোল-পাণ আদিৰো খেতি কৰা হয়। চাহ অসমৰ প্ৰধান ৰোপণ খেতি। ইয়াৰ উপৰি কফি, ৰবৰ আদিৰ খেতিও কৰা হয়। মৰাপাট আৰু নাৰিকলৰ আঁহ বা বাকলি আদিৰ পৰা মানুহৰ ব্যৱহাৰৰ উপযোগী বিভিন্ন ধৰণৰ বস্তু তৈয়াৰ কৰা হয়।










**খনিজ সম্পদ —**

অসম খনিজ সম্পদত চহকী। অসমত প্ৰধানকৈ কয়লা, খাৰুৱা তেল আৰু চূণশিল পোৱা যায়।

**কয়লা ঃ**

বহু নিযুত বছৰৰ আগতে পৃথিৱীখন গছ-গছনিৰে ভৰা জলাহভূমি আছিল। সেইসময়ত হোৱা প্ৰাকৃতিক দুৰ্যোগৰ ফলত এই গছ-গছনিবোৰ ভূ-গৰ্ভৰ বহু তললৈ গৈ পোত গৈছিল। এই পোত যোৱা গছ-গছনিবোৰৰ ওপৰত তৰপে তৰপে বোকা জমা হৈ কিছুমান স্তৰৰ সৃষ্টি হৈছিল। ভূ-গৰ্ভৰ তলিত পোত যোৱা এই গছ-গছনিবোৰ লাহে লাহে ভূ-পৃষ্ঠৰ প্ৰচণ্ড চাপ আৰু ভূ-গৰ্ভৰ তাপৰ প্ৰভাৱত কয়লালৈ পৰিৱৰ্তিত হৈছিল। প্ৰকৃতিত পোৱা সবাতোকৈ গুৰুত্বপূৰ্ণ ইন্ধনৰ ভিতৰত কয়লা অন্যতম।






অসমৰ মাকুম, লিড়ু, মাৰ্ঘেৰিটা, জয়পুৰ আদিত কয়লা পোৱা যায়। মাকুমৰ কয়লা খনি অতি পুৰণি। কাৰ্বিপাহাৰৰ কয়লাজান, শিলভেটা আদিত কম পৰিমাণে উৎকৃষ্ট মানৰ কয়লা পোৱা যায়। কয়লাৰ খনিত কাম কৰি বহুতো মানুহে জীৱিকা নিৰ্বাহ কৰে। কিন্তু কেতিয়াবা কয়লা খনিৰ পৰা অবৈজ্ঞানিক প্ৰণালীৰে মুক্ত খননৰ দ্বাৰা কয়লা আহৰণ কৰাৰ ফলত ওচৰ পাজৰৰ পৰিৱেশ প্ৰদূষিত হোৱা দেখা যায়।

**খাৰুৱা তেল ঃ**




বহু নিযুত বছৰৰ আগতে সাগৰ-মহাসাগৰ আদিত থকা শেলুৱৈ জাতীয় উদ্ভিদ আৰু সৰু সৰু প্ৰাণীবোৰৰ মৃত্যু হোৱাৰ পিছত সাগৰ-মহাসাগৰৰ বহু তললৈ গৈ বোকাৰ মাজত পোত গৈছিল। এই মৃত উদ্ভিদ আৰু প্ৰাণীবোৰেই ভূ-পৃষ্ঠৰ প্ৰচণ্ড চাপ, ভূ-গৰ্ভৰ তাপ আৰু বেক্টেৰিয়াৰ ক্ৰিয়াৰ ফলত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছলৈ পৰিণত হয়। খাৰুৱা তেল জুলীয়া অৱস্থাত আৰু প্ৰাকৃতিক গেছ গেছীয় অৱস্থাত থাকে। খাৰুৱা তেলসমূহ শিলৰ স্তৰৰ মাজতো পোৱা যায়। সাগৰৰ তলিৰ নিচিনা ভূ-গৰ্ভতো খাৰুৱা তেল পোৱা যায়। অসমত খাৰুৱা তেল থকা ঠাইকেইখন হ'ল নাহৰকটীয়া, হুগ্ৰীজান, মৰাণ, ৰুদ্ৰসাগৰ, গেলেকী, লাকুৱা আদি।

**১৮৮৯ চনত ইংৰাজসকলে প্ৰথমতে ডিগবৈত খাৰুৱা তেলৰ সন্ধান পায়।**





ভূ-গৰ্ভৰ পৰা আহৰণ কৰা খাৰুৱা তেলসমূহ শোধনাগাৰত শোধন কৰি লৈহে ব্যৱহাৰ কৰিব পাৰি। শোধনাগাৰত তেল শোধন কৰি পেট্ৰ'ল, ডিজেল, কেৰাচিন, নেফ্‌থেলিন, মম্ আদি পৃথক কৰা হয়। অসমৰ ডিগবৈ, নুনমাটি, বঙাইগাঁও আৰু নুমলীগড়ত তেল শোধনাগাৰ আছে। শোধনাগাৰত তেল শোধন কৰি আমাৰ ৰাজ্যত ব্যৱহাৰ কৰাৰ উপৰি পাইপযোগে কিছু অংশ অসমৰ বাহিৰলৈও পঠিওৱা হয়। খাৰুৱা তেলৰ পৰা অসম চৰকাৰে যথেষ্ট পৰিমাণে ৰাজহ লাভ কৰে। খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ ওপৰত ভিত্তি কৰি অসমত কিছুসংখ্যক উদ্যোগ গঢ়ি উঠিছে। খাৰুৱা তেল আহৰণৰ ফলত ক্ৰমান্বয়ে ভূ-গৰ্ভত মজুত থকা খাৰুৱা তেল শেষ হৈ আহিছে। সেয়েহে ইয়াৰ মিতব্যয়ী ব্যৱহাৰৰ অতি প্ৰয়োজন।

**কয়লা আৰু খাৰুৱা তেলক ইন্ধন হিচাপে ব্যৱহাৰ কৰা হয়। গছ-গছনি আৰু প্ৰাণীৰ দেহৰ অৱশিষ্টৰ পৰা উৎপন্ন হোৱাৰ বাবে ইহঁতক জীৱাশ্ম ইন্ধন বোলে।**

**চূণশিল ঃ**

চূণশিল অসমৰ আন এবিধ খনিজ সম্পদ। ডিমা-হাছাও জিলাৰ উমৰাংছু আৰু কাৰ্বি আংলং জিলাৰ কয়লাজান আৰু ডিলাই পাহাৰত চূণশিল পোৱা যায়। বিলাতী মাটি প্ৰস্তুত কৰিবলৈ চূণশিল ব্যৱহাৰ কৰা হয়। বোকাজানৰ বিলাতী মাটি উদ্যোগত কয়লাজানৰ পৰা অনা চূণশিল ব্যৱহাৰ কৰা হয়। চূণশিলৰ পৰা চকপেঞ্চিল, দাঁত ঘঁহা দ্ৰব্য, ৰং আদি প্ৰস্তুত কৰা হয়।


চূণশিল

**উত্তৰ লিখা—**

- অসমৰ কোন কোন ঠাইত খাৰুৱা তেল পোৱা যায়?
- অসমত কোন কোন ঠাইত কয়লাৰ খনি আছে?
- অসমৰ কোন কোন জিলাত চূণশিল পোৱা যায়?

প্ৰাকৃতিক সম্পদবোৰ আমাৰ ৰাজ্যত মজুত থকাৰ বাবে এইবোৰৰ ব্যৱহাৰ সহজসাধ্য হৈছে। এই সম্পদবোৰে আমাৰ দেশক ঔদ্যোগীকৰণত সহায় কৰি আমাৰ জীৱনৰ মানদণ্ড উন্নত কৰিছে। কেঁচামাল আৰু উৎপাদিত সামগ্ৰীসমূহ দেশ-বিদেশলৈ ৰপ্তানি কৰি চৰকাৰে ৰাজহ সংগ্ৰহ কৰাৰ ফলত আমাৰ ৰাজ্যখন অৰ্থনৈতিকভাৱে লাভান্বিত হৈছে। এই প্ৰাকৃতিক সম্পদবোৰৰ সঠিক ব্যৱহাৰ কৰাটো সকলোৰে বাবে কাম্য।

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) অসমৰ হাবিত পোৱা চাৰিবিধ মূল্যবান উদ্ভিদৰ নাম।

(খ) বাৰিষাকালত খেতি কৰা চাৰিবিধ পাচলিৰ নাম।

(গ) অসমৰ তিনিখন বিলৰ নাম।

(ঘ) অসমৰ বনজ সম্পদসমূহৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা দুটা উদ্যোগৰ নাম।

(ঙ) বিলাতী মাটি প্রস্তুত কৰিবলৈ ব্যৱহাৰ কৰা খনিজ সম্পদ বিধৰ নাম।

(চ) চূণশিলৰ পৰা প্রস্তুত কৰা দুবিধ বস্তুৰ নাম।

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| কাৰ্বি আংলঙত | খাৰুৱা তেল পোৱা যায়। |
| ডিগবৈত | তেলক্ষেত্ৰ আছে। |
| নাহৰকটীয়াত | চূণশিল পোৱা যায়। |
| মৰাণত | তেল শোধনাগাৰ আছে। |

৩। খালী ঠাই পূৰ কৰা—

(ক) প্রাকৃতিকভাৱে পোৱা সকলো সামগ্রী ________ নহয়।

(খ) অসমৰ ________ গঁড় পৃথিৱী বিখ্যাত।

(গ) ব্ৰহ্মপুত্ৰ নৈত পোৱা ________ হ'ল পৃথিৱীৰ বিৰল জাতিৰ প্রাণী।

(ঘ) ভূ-পৃষ্ঠৰ পানী ভাগৰ দৰে ________ পানী ভাগো আমাৰ সম্পদ।

(ঙ) কয়লাৰ দৰে খাৰুৱা তেলো একপ্রকাৰ ________ ইন্ধন।

৪। তলত দিয়া বাক্য কেইটাৰ পৰা অশুদ্ধবোৰ উলিয়াই শুদ্ধকৈ লিখা —

(ক) তিতাচঁপা এবিধ কৃষিজাত উদ্ভিদ।

(খ) প্রাকৃতিক সম্পদ প্রকৃতিৰ পৰা আহৰণ কৰা হয়।

(গ) নলখাগৰি, শিশু আদি উদ্ভিদ পাহাৰীয়া অঞ্চলত পোৱা যায়।

(ঘ) শিলৰ স্তৰৰ মাজত খাৰুৱা তেল পোৱা যায়।

৫। খনিজ সম্পদক কিয় অনবীকৰণক্ষম সম্পদ বোলে?

৬। নৈ-উপনৈসমূহৰ ওচৰত জাহাজঘাট, ফেৰীঘাট আদি গঢ়ি উঠাৰ কাৰণ কি?

৭। চমুটোকা লিখা— কয়লা, খাৰুৱা তেল।